জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

ortal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তম বছৰ, সংখ্যা ১৩৬ ● বৃহস্পতিবাৰ ● ৯ মাঘ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday January 23, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁ

## এছ পি পি মহাবিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ

# যুৱ মহোৎসৱস্থলী পুৱাতে পৰিষ্কাৰ কানৈৰ শিক্ষাৰ্থীৰ

**ডিব্ৰুগড় ঃ** ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ জানুৱাৰী ঃ শিৱসাগৰ জিলাৰ এছ পি পি মহাবিদ্যালয়ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ যুৱ মহোৎসৱত বিগত বছৰসমূহৰ দৰে এই বছৰো ঐতিহ্যপূৰ্ণ ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এছ পি পি মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰি এক ব্যতিক্ৰমী নিদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে কালিৰ পৰা অনুষ্ঠিত যুৱ মহোৎসৱত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মাঘ মাহৰ হাড় কঁপোৱা জাৰকো নেওচি পুৱা ৩ বজাতে দৈনিক পৰিষ্কাৰ কাৰ্যসূচী গ্ৰহণ কৰি ৯ পিঠিলৈ



## আজিৰ পৰা সৰভোগ গ্ৰন্থমেলা

**সৰভোগ ঃ** নিজা বাতৰি দিওঁতা, ২২ জানুৱাৰী ঃ বৰনগৰ প্ৰেছ ক্লাবৰ উদ্যোগত কাইলৈৰ পৰা ২৮ জানুৱাৰীলৈ সৰভোগৰ গান্ধী ভৱনত দ্বিতীয় বাৰ্ষিক সৰভোগ গ্ৰন্থমেলা অনুষ্ঠিত কৰা হ'ব। পুৱা ৯-৩০ বজাত বৰনগৰ প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰিব বৰনগৰ প্ৰেছ ক্লাবৰ সভাপতি প্ৰবীণ কুমাৰ ৰয়ে। ১০ বজাত ১৩ পিঠিলৈ



জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তম বছৰ, সংখ্যা ১৩৬ ● বৃহস্পতিবাৰ ● ৯ মাঘ ১৯৪৬ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Thursday January 23, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁ


## মেন কুমাৰ দাসৰ...

গ্ৰন্থখনে সময়ক ধৰি ৰাখিবলৈ চেষ্টা কৰিছে।' আজিকালি বহুতে বাতৰিকাকত নপঢ়াৰ কথা উল্লেখ কৰি বৰকটকীয়ে কয় যে অসমীয়া মানুহৰ কিতাপ পঢ়াৰ অভ্যাস কমিছে। এই ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ আৱিষ্কাৰে কিতাপ পঢ়াৰ আগ্ৰহ বহু গুণে কমাই দিছে। ইয়াৰ মাজতো সাংবাদিক হেমেন কুমাৰ দাসে কিতাপ লিখাটো নিশ্চয়কৈ অসমীয়া জাতিৰ কাৰণে এক শুভ লক্ষণ হিচাপে চিহ্নিত হ'ব। দাসে তেওঁৰ গ্ৰন্থখনত ইতিহাস ধৰি ৰখাৰ চেষ্টা চলাইছে বুলি ড° বৰকটকীয়ে মন্তব্য কৰে। কিতাপ নপঢ়াটো এটা ব্যাধি বুলিও তেওঁ উল্লেখ কৰে। ইতিহাসবিদ তথা ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকাই নিজৰ ভাষণত কয় যে সাংবাদিকতা আৰু গ্ৰন্থ ৰচনা কৰাটো এক মহৎ কাম। কিতাপ পঢ়াটো জাতীয় অভ্যাসলৈ ৰূপান্তৰ কৰা প্ৰয়োজন। সৃষ্টি আৰু ন ন চিন্তাৰ মাজেৰে আমাৰ জাতিটোক আগুৱাই নিব লাগিব বুলি ড° হাজৰিকাই মন্তব্য কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সহকাৰী জন সংযোগ বিষয়া গৌৰি প্ৰসাদ শৰ্মাই আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাখনৰ আৰম্ভণিতে আদৰণী ভাষণ দিয়ে লেখক হেমেন কুমাৰ দাসে। আনহাতে গ্ৰন্থখনৰ প্ৰকাশক আনন্দ প্ৰকাশৰ স্বত্বাধিকাৰী আমিনুৰ ৰহমানেও গ্ৰন্থখনৰ প্ৰকাশৰ চমু ইতিহাস দাঙি ধৰে। সভাত বিশিষ্ট লেখক আশিস মজুমদাৰ, অৱসৰপ্ৰাপ্ত তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া গুৰমাইল সিং, জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা, প্ৰমুখ্যে জিলাখনৰ বিভিন্ন স্তৰৰ শতাধিক লেখক-সাংবাদিক, বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় লেখক হেমেন কুমাৰ দাসে।

## যুৱ মহোৎসৱস্থলী পুৱাতে পৰিষ্কাৰ...

*পাঁচ পিঠিৰ পৰা* গৈছে। কানৈ মহাবিদ্যালয়ৰ পৰা যোৱা দলটোৰ নেতৃত্বত থকা কানৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত ক্ৰীড়া বিষয়া মানৱজিৎ শইকীয়াই জনোৱা মতে, বিগত বৰ্ষসমূহত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ যুৱ মহোৎসৱত যেনেদৰে মহোৎসৱস্থলী পুৱাই শুই উঠি কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিষ্কাৰ কৰিছিল এইবাৰো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। কাহিলি পুৱাতে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয় চৌহদৰ লগতে ভোজনালয় কক্ষও সুন্দৰভাৱে পৰিষ্কাৰ কৰে। প্ৰকৃতিক ভাল পাবলৈ এক নীৰৱ বিপ্লৱ চলাই আন্দোলনমুখী কৰা এই কাৰ্যসূচীয়ে অন্যান্য মহাবিদ্যালয়সমূহৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এই যুৱ মহোৎসৱস্থলীত প্ৰকৃতি সুৰক্ষা, প্ৰকৃতিক ভালপোৱা, পৰিৱেশ সজাগতা বিষয়টোক অধিক জাগ্ৰত কৰিবলৈ বাঁহৰ খৰাহীৰ ব্যৱহাৰ কৰি, অন্যান্য প্ৰকৃতি বিষয়ক শ্ল'গান দি যুৱ মহোৎসৱস্থলীত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেওঁ জনোৱা মতে মহোৎসৱৰ আটাইকেইদিন অনুৰূপ ধৰণে পুৱা মহোৎসৱস্থলী কাহিলি পুৱাতে পৰিষ্কাৰ কৰা হ'ব। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ নেতৃত্বত ২০১৫ চনৰ ১৯ জুনতে গ্ৰীন ক্লাব গঠন কৰি কোনো বন্ধৰ দিন, দেওবাৰ নমনাকৈ পুৱা ৪-৩০ বজাৰ পৰা মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰি ইতিমধ্যে ৩৯১৬ দিন অতিক্ৰম কৰিছে। ঐতিহ্যপূৰ্ণ কানৈ মহাবিদ্যালয়ে এনে কৰ্মৰ স্বীকৃতি স্বৰূপে ৰাষ্ট্ৰ সংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ দ্বাৰা ২০২৪ বৰ্ষত 'চেণ্টাৰ অব্ এক্সিলেঞ্চ' সন্মানেৰে সন্মানিত হোৱাৰ উপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ যুৱ মহোৎসৱত ২০২০, ২০২২ আৰু ২০২৩ বৰ্ষত একেৰাহে তিনিবাৰকৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ সন্মান লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে ২০২৪ চনৰ ২০ ডিচেম্বৰত মহাবিদ্যালয়খনক ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ তৰফৰ পৰা ধূমপানমুক্ত মহাবিদ্যালয় হিচাপে ঘোষণা কৰি এক প্ৰমাণ-পত্ৰ প্ৰদান কৰিছে। কানৈ মহাবিদ্যালয়ে স্বচ্ছতাৰ দিশত এনেদৰে অবিৰতভাৱে কাম কৰি যোৱাৰ স্বীকৃতি স্বৰূপে ২০১৮ চনত ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা 'ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰ', ২০২২ চনত ডিব্ৰুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা 'অসমৰ পৰিষ্কাৰ মহাবিদ্যালয়'ৰ সন্মান, কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ নেহৰু যুৱ কেন্দ্ৰ ডিব্ৰুগড় শাখাৰ তৰফৰ পৰা মহাবিদ্যালয়খনক স্বচ্ছতাৰ সন্মান প্ৰদানকে ধৰি অনেক চৰকাৰী, বেচৰকাৰী সংস্থা, সংগঠনে সময়ে সময়ে মহাবিদ্যালয়খনক সন্মানিত কৰি আহিছে।

## ৰা ফ্লৰিডালৈ বিপৰ্যস্ত জনজীৱন



বৰফে ঢাকিছে অ

## টেক্সাছৰ প
## বিপৰ্যস্ত

ঘণ্টাত এক ইঞ্চি হিম
লাকৰ মৃত্যু ■ উত্তৰ
জনতাক ঘৰৰ পৰা

শ্বিংটন, ২২ জানুৱাৰী ঃ আমে
ণ্ড শীত আৰু হিমপাতে দেশখ
ল শীতকালীন ধুমুহাই সমগ্ৰ দ
ষ্ট কৰিছে। টেক্সাছৰ পৰা ফ্লৰি
ত্বলৈকে বিপজ্জনক শীতৰ ধুমু